জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৫/২০২১

# মাজুলীৰ জ্যেষ্ঠ নাগৰিকসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়

**দিছপুৰ, ২৮ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মাজুলীৰ জ্যেষ্ঠ নাগৰিকসকলৰ সৈতে মত-বিনিময় কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মাজুলীৰ জ্যেষ্ঠ নাগৰিকসকলে মুখ্যমন্ত্ৰীক উষ্ম সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

মত-বিনিময় অনুষ্ঠানত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৃষিখণ্ডত মাজুলীৰ যথেষ্ট সম্পদ আৰু সম্ভৱনা আছে। মাজুলীৰ যুৱকে নিজৰ উৎপাদিত কৃষি সামগ্ৰী বিদেশলৈও ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। মাজুলীৰ জ্যেষ্ঠ নাগৰিকসকল অভিভাৱক স্বৰূপ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে নৱ প্ৰজন্মক কৃষিখণ্ডত আত্মনিয়োগ কৰাৰ বাবে উৎসাহিত কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে মাজুলীত এতিয়া বহু নতুন আন্তঃগাঁথনি সৃষ্টি কৰা হৈছে। মাজুলীৰ সৌন্দৰ্য হৈছে প্ৰকৃতি। এই প্ৰাকৃতিক বাতাৱৰণ বিনষ্ট নকৰাকৈ মাজুলীৰ বিকাশ সাধন কৰিব লাগিব। পৰ্যটকসকলৰ প্ৰাকৃতিক দৃশ্যৰাজিৰ প্ৰতি যি আকৰ্ষণ তাক অক্ষুণ্ণ ৰাখিব লাগিব বুলি তেওঁ কয়। মাজুলীৰ জৈৱ বৈচিত্ৰ্য যাতে ভৱিষ্যতে বিনষ্ট নহয় তাৰ প্ৰতি সকলোৱে সচেষ্ট হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে মাজুলীৰ আধ্যাত্মিকতা, মৰ্যাদা, সংস্কৃতি যাতে কোনো কাৰণতে বিনষ্ট নহয় তাৰ বাবে সকলোৱে দায়বদ্ধতাৰে ভৱিষ্যতেও পদক্ষেপ ল'ব লাগিব।

মুখ্যমন্ত্ৰীয়ে কয়  যে অসমৰ কৃষকে এতিয়া পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। কিছু বছৰ আগলৈকে উচ্চ শিক্ষিত নৱ প্ৰজন্মই কৃষি ক্ষেত্ৰত আত্মনিয়োগ কৰা নাছিল। সেই সময়ত কৃষক সমাজে সামাজিক সন্মান লাভ কৰা নাছিল। এতিয়া উঠি অহা প্ৰজন্মই কৃষিখণ্ডত সফলতা লাভ কৰা বাবে অন্যান্য সকলো অনুপ্ৰাণিত হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁ নিজে বিভিন্ন কৃষি ক্ষেত্ৰলৈ গৈছে। উচ্চ শিক্ষিত যুৱক-যুৱতীয়েও এতিয়া কৃষি খণ্ডত জড়িত হোৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। আধুনিক কৃষি পদ্ধতি প্ৰয়োগ কৰি উৎপাদন বৃদ্ধিৰ বাবে কৃষক সমাজে এক পৰিৱেশ লাভ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষিখণ্ডত যথেষ্ট প্ৰাধান্য দিছে। ২০২২ চনৰ ভিতৰত কৃষকৰ আয় দুগুণলৈ বৃদ্ধিৰ বাবে যিবোৰ আন্তঃগাঁথনিৰ প্ৰয়োজন সেইবোৰ নিশ্চিত কৰাৰ বাবে শক্তিশালী পদক্ষেপ লৈছে। কৃষকক সুৰক্ষিত কৰিবলৈ আৰু উৎসাহ যোগাবলৈ প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, প্ৰধানমন্ত্ৰী কৃষি সিঁচাই যোজনা, কে চি চি, ছয়েল হেলথ কাৰ্ড, ৰাটাৰ হেলথ্ কাৰ্ড, পি এম কিষাণ সন্মান নিধিৰ লেখীয়া পদক্ষেপ গ্ৰহণ কৰা বাবে কৃষকৰ সৰলীকৰণত সহায়ক হৈ উঠিছে। সমান্তৰালভাৱে ৰাজ্য চৰকাৰেও মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা, মুখ্যমন্ত্ৰীৰ কৃষি সা-সঁজুলি যোজনা, কিষাণ ক্ৰেডিট কাৰ্ডৰ ঋণ পৰিশোধ কৰিব নোৱাৰা কৃষকলৈ ১০ হাজাৰ টকাকৈ ৰাজসাহায্য, সুদ বিহীন ২ লাখ টকালৈ ঋণ প্ৰদান ইত্যাদি পদক্ষেপৰ বাবে কৃষি খণ্ডত আত্মবিশ্বাসেৰে আগুৱাই যোৱাৰ

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

বাবে এক পৰিৱেশ গঢ় লৈ উঠিছে। এতিয়া অসমৰ কৃষকৰ ধ্যান-ধাৰণা সলনি হৈছে। ৰাষ্ট্ৰীয়ৰ পৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ কৃষি সামগ্ৰী ৰপ্তানি কৰাৰ দিশত অসমৰ কৃষকে যি দৃঢ়তা দেখুৱাইছে ইয়ে ভৱিষ্যতে অসমক আত্মনিৰ্ভৰশীল কৰি তুলিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই মত-বিনিময়ৰ অনুষ্ঠানত মাজুলীৰ জ্যেষ্ঠ নাগৰিকসকলে মুখ্যমন্ত্ৰী তথা স্থানীয় বিধায়ক সৰ্বানন্দ সোণোৱালে মাজুলীৰ উন্নয়নৰ দিশত বিগত চাৰে চাৰি বছৰে যি উল্লেখযোগ্য বৰঙনি আগবঢ়ালে তাৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ভৱিষ্যতেও মাজুলীক যাতে তেওঁ প্ৰতিনিধিত্ব কৰি মাজুলীৰ এই উন্নয়নী যাত্ৰা অব্যাহত ৰাখে তাৰ বাবে আহ্বান জনায়।

আজিৰ এই বৈঠকত সাংসদ প্ৰদান বৰুৱা আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**বঃভাঃ**
**২৮/০১/২০২১**